# 6খন ভাৰতীয় ৰাজ্যৰ বজাৰসমূহত 2020 ত মেডিকেল এব'ৰছন ড্ৰাগছ উপলব্ধ




ফাউণ্ডেচন ফৰ ৰিপ্ৰ'ডাক্তিভ হেল্থছাৰ্ভিছ(এফ আৰ এইচ এছ)ইণ্ডিয়াই অসম ৰাজ্যত মেডিকেল এব'ৰছন ড্ৰাগছ উপলব্ধকৰণৰ বাবে এটা অধ্যয়ন আৰম্ভ কৰিছে। আমি এম এ ড্ৰাগছৰ উপলব্ধতাক প্ৰভাৱিত কৰা কাৰণসমূহ বুজিবৰ বাবে অসমৰ পাঁচখন চহৰত 250 জন কেমিষ্টৰ সৈতে কথা পাতিছিলো। এই তথ্য ছিটে অধ্যয়নৰ পৰা পোৱা মূল তথ্যসমূহ সংক্ষিপ্ত কৰে আৰু দৃষ্টিগোচৰ হোৱা সমস্যাসমূহ দেখুৱাবৰ বাবে কিছু মতামত উপস্থাপন কৰে ।

## আমি এই অধ্যয়নটো কিয় কৰিছো?

চাৰিখন ভাৰতীয় ৰাজ্যত এম এ ড্ৰাগছৰ উপলব্ধতাৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ বাবে 2019 ত জেনডাৰ ইকুইলিটি আৰু সুৰক্ষিত এব'ৰছনৰ বাবে প্ৰতিজ্ঞা কেম্পেইন সম্পন্ন কৰিছে। অনুসন্ধানত প্ৰকাশ পাইছে যে নিৰীক্ষণ কৰা 4 খন ৰাজ্যৰ মাজত 2 খন ৰাজ্য – ৰাজস্থান আৰু মহাৰাষ্ট্ৰত এম এ ড্ৰাগছৰ অধিক মাত্ৰাত অভাৱ হৈছে। অধিকাংশ কেমিষ্টৰ দবাৰা জনোৱা মতে এই অভাৱৰ মূখ্য কাৰণ এম এ ড্ৰাগছৰ জমা কৰি ৰখাৰ ক্ষেত্ৰত দেখা দিয়া আইনী বাধা।চাৰিখন ৰাজ্যৰ সকলো কেমিষ্টৰ 56 শতাংশই জনোৱা মতে অন্য শ্বিডিউল এইচ ড্ৰাগছৰ তুলনাত এম এ ড্ৰাগছ অতি উপযোগী। ভাৰতত বহু সংখ্যক এব'ৰছন (81%) এম এ ড্ৰাগছ ব্যৱহাৰ কৰি কৰা হয়। ইয়াৰ উপলব্ধতা কম হোৱা মানে ভাৰতত এব'ৰছন হোৱা মহিলাৰ বাবে দ্বিতীয়টো বিকল্পৰ অভাৱ ঘটা।মূখ্য ৰাজ্যসমূহৰ প্ৰৱণতা আৰু পৰিস্থিতি বুজিবৰ বাবে এফ আৰ এইচ এছ ইণ্ডিয়াই, যিটো প্ৰতিজ্ঞা কেম্পেইন ছেক্ৰেটেৰীয়েটৰ এটা অংশীদাৰীত্ব অনুস্থান আৰু এইটোৱে উদ্‌ধাধন কৰে। অন্যহাতে অসমৰ লগতে 6 খন নতুন ভাৰতীয় ৰাজ্যত অধ্যয়নৰ 2য় অধ্যায় সম্পন্ন কৰে।

## অধ্যয়নৰ উদ্দেশ্যসমূহ হ'ল

- বজাৰত এম এ ড্ৰাগছৰ বৰ্তমান উপলব্ধতাৰ স্থিতিৰ বিষয়ে পৰীক্ষণ আৰু বুজ লোৱা।
- এম এ ড্ৰাগছবোৰ জমা কৰা বা নকৰাৰ মূখ্য কাৰণসমূহৰ বুজ লোৱা
- সামগ্ৰীৰ ওপৰত কেমিষ্টৰ জ্ঞান নিৰ্ধাৰণ (প্ৰাথমিক ব্যৱহাৰ, ড্ৰাগ এণ্ড কছমেটিকছ এক্ট আৰু বিতৰণ নীতি ইত্যাদি)আৰু এম এ ড্ৰাগছৰ বিক্ৰীৰ লগত জড়িত প্ৰকৃত অনুশীলন।
- সিহঁতৰ আওটলেতসমূহত এম এ ড্ৰাগছৰ বিক্ৰী আৰু বিতৰণ সম্পৰ্কত ৰাজ্য আৰু জিলাৰ ড্ৰাগছ কৰ্তৃপক্ষৰ সৈতে কেমিষ্টৰ অভিজ্ঞতা/পৰিচয়ৰ বুজ লোৱা।

তালিকা 1: অধ্যয়নৰ আওতাত থকা ৰাজ্য আৰু চহৰসমূহ

| ৰাজ্য | চহৰ/উপ–জিলা অন্তৰ্ভূক্ত |
|---|---|
| অসম | ডিব্ৰুগড়, গুৱাহাটী, যোৰহাট, নগাঁও আৰু শিলচৰ |



**অসমত 67** শতাংশ কেমিষ্টে এম এ ড্ৰাগছ জমা কৰি ৰখা বুলি অৱগত কৰিছে



**90 শতাংশ কেমিষ্ট**

যিসকলে জমা কৰি ৰখা নাছিল তেওঁলোকে কম চাহিদা

অত্যাধিক ড'কুমেনটেশ্বন /পেপাৰ ৱৰ্কৰ কথা অৱগত কৰিছে

**58% শতাংশ কেমিষ্টে তথ্য প্ৰকাশ কৰে**

যে অন্য এইচ ড্ৰাগছৰ তুলনাত এম এ ড্ৰাগছক অতিৰিক্ত

**86% শতাংশ কেমিষ্টে জনাইছে**

যে এম এ ড্ৰাগছবোৰ ছেক্স ছিলেকটিভ এবৰ্'ৰছনৰ বাবে সঠিক নহয়



**শেষৰ 10 জন ক্লাইন্তৰ ভিতৰত 71% শতাংশই**

কেমিষ্টসকলে পৰিদৰ্শন কৰা এম এ ড্ৰাগছসমূহ ক্ৰয় কৰাৰ বাবে এখন প্ৰেছক্ৰিপছন লৈ আহিছিল

**কেৱল 35% শতাংশ মহিলাক**

এম এ ড্ৰাগছ কিনিবলৈ ফাৰ্মাচীলৈ অহা দেখা গৈছিল আৰু বাকীবোৰ পুৰুষে কিনিছিল।

## এম এ ড্ৰাগছ ক্ৰয় কৰাৰ পাছত গ্ৰাহকে ঘূৰাই দিয়েনে?

অসমৰ 67% শতাংশ কেমিষ্ট্রে জনাইছিল যে এম এ ড্ৰাগ্ছ কিনাৰ পিছত ক্লাইন্ত আকৌ ঘূৰি আহে। 24 জন ক্লাইন্তে বন্ধু/পৰিয়ালৰ সদস্যৰ সৈতে ঘূৰি আহিছিল আৰু 21 জন ঘূৰি আহিছিল এইটোৱে ভালদৰে কাম কৰে বুলি ক'বলৈ। বেছিভাগ ক্লাইন্তৰ এটা ধনাত্মক ফলাফল আছিল।

## ভাৰতত কেমিষ্টসকলে এবৰ্'ৰছনৰ বৈধ্যতাৰ সম্পৰ্কে সচেতন নে?

অসমৰ বেছিভাগ কেমিষ্টে (69%শতাংশ)সজাগ যে ভাৰতত এবৰ্'ৰছন বৈধ্য। এবৰ্'ৰছনৰ বৈধ্যতা সম্পৰ্কে যি সকল সচেতন তেওঁলোকৰ 70% শতাংশই মেডিকেল টাৰ্মীনেশ্বন অফ প্ৰেগনেঞ্চি (এম টি পি) আইন অনুসাৰে 20 সপ্তাহৰ গৰ্ভকালীন সীমাৰ সম্পৰ্কে জানে।

## মেডিকেল এব'ৰছন প্ৰক্ৰিয়া সম্পৰ্কে কেমিষ্টে কিমান জানে?

অসমৰ প্ৰায়সকল কেমিষ্টে (98% শতাংশ)এম এ ড্ৰাগছৰ গ্ৰহণৰ ক্ৰম সম্পৰ্কে সঠিক তথ্য জানে(মিফেপ্ৰিষ্টনে 24–48ঘন্টাৰ পাছত মিচ'প্ৰ'ষ্টল অনুসৰণ কৰে)। অধিক সংখ্যক কেমিষ্টে(97শতাংশ)প্ৰশাসনৰ মৌখিক ৰোটৰ সৈতে পৰিচিত আৰু কিছুৱে (41% শতাংশ)ছাবলিংগুয়েল ৰোট সম্পৰ্কেও জানে।

তুলনামূলকভাৱে অতি কম সংখ্যক কেমিষ্টে এম এ ড্ৰাগছৰ ওপৰত প্ৰশাসনৰ নিয়ম সম্পৰ্কে শুধা–পোচা কৰাত বুকালৰ (3% শতাংশ) বিষয়ে জনাই আৰু ভেজিনেল ৰিপ'ৰ্ট নকৰে। অসমৰ কেমিষ্টসকলৰ ভিতৰত আধা সংখ্যকে (49% শতাংশ) ক্লাইন্তক জনাইছিল যে ৰক্তপাত এই প্ৰক্ৰিয়াটোৰ এটা অংশ। প্ৰায় 20% শতাংশই ক্লাইন্তক বাখ্যা কৰে যে নাউছিয়া আৰু বমী এই প্ৰক্ৰিয়াটোৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া। অৱশেষত সমষ্ট কেমিষ্ট প্ৰায় অৰ্ধ সংখ্যকে (49% শতাংশ) ক্লাইন্তক পৰামৰ্শ দিয়ে যে ৰক্তপাত বন্ধ হ'লে এই প্ৰক্ৰিয়াটো সম্পন্ন হয়।

## ফলাফলে কি বুজায়?

অন্য পাঁচখন ৰাজ্যৰ তুলনাত অসমত অধিক কেমিষ্টৰ দবাৰা এম এ ড্ৰাগছ মজুত কৰি ৰখা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে তাৰে কিছু সংখ্যকে ৰিপ'ৰ্ট কৰিছে যে এম এ ড্ৰাগছ অন্যান্য শ্বিডিউল এইচ ড্ৰাগছৰ তুলনাত বেছি নিয়ন্ত্ৰিত। উচ্চস্তৰৰ কেমিষ্টসকলেও ভূল ধাৰণা কৰি আছে যে এম এ ড্ৰাগছ মহিলাৰ বাবে ক্ষতিকাৰক। যদিহে কেমিষ্টৰ মাজত এব'ৰছনৰ বৈধ্যতা সম্পৰ্কে সচেতনতা ভাল, এম এ প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞান আছে,মৌখিক প্ৰশাসনৰ ৰোটসমূহ উন্নত কৰিব পাৰি। যিহেতু মহিলাবোৰে এম এ ড্ৰাগছ ক্ৰয় কৰাৰ সময়ত কেমিষ্টৰ পৰা পোৱা তথ্যৰ ওপৰত নিৰ্ভৰ কৰে সেয়েহে তেওঁলোকক সঠিক তথ্য দিয়াটো গুৰুত্বপূৰ্ণ।

## আমি পৰামৰ্শ কৰিছো

- **এম বি বি এছ ডাক্তৰক এম এ ড্ৰাগছ প্ৰেছক্ৰাইব কৰাৰ অনুমতি দিয়াৰ বাবে এম টি পি বিধি সংশোধন কৰক**

  এম বি বি এছ ডাক্তৰক প্ৰেছক্ৰাইব কৰাৰ অনুমতি দি, এব'ৰছন সৰবৰাহকাৰীৰ সংখ্যা 60,000 ৰ পৰা 70,000 পাৰ কৰি 1 মিলিয়নলৈ বৃদ্ধি কৰিব, মহিলাসকলক এখন প্ৰেছক্ৰিপছন সৈতে ড্ৰাকছসমূহ উপভোগ কৰিবলৈ সক্ষম কৰে আৰু 3 টা মেডিকেল সহায় আৰু যত্ন লাভ কৰিব। এম বি বি এছ ডাক্তৰসকলক অনুমতি দিবৰ বাবে এম এ ৰ ওপৰত এটা সংক্ষিপ্ত, প্ৰিফাৰেবলী অনলাইন ক'ৰ্ছ কৰিব লাগিব, সেইবাবে এম টি পি বিধি সংশোধন কৰাৰ সময়ত ইয়াৰ ওপৰত বিবেচনা কৰিব লাগে।



- **ড্ৰাগছ আৰু কছমেটিকছ্ আইনৰ শ্বিডিউল কে ৰ অধীনত এম এ ড্ৰাগছ এম এ কম্বি– পেক শ্ৰেণীবদ্ধকৰণক বিবেচনা কৰা**

  এইটো এটা ডাঙৰ প্ৰমাণ যিটোৱে এম এ ড্ৰাগছ ব্যৱহাৰৰ বাবে নিৰাপদ আৰু ব্যৱহাৰকাৰীৰ স্বাস্থ্য ওপৰত কোনো ধৰণৰ বিৰূপ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা নাথাকে। ডাব্লিউ এইচ অ' ৰপ্ৰয়োজনীয় মেডিছিন তালিকা 2019 ৰ মূল তালিকাত এম এ ড্ৰাগছসমূহ অন্তৰ্ভূক্ত কৰিছে। উল্লেখ্য যোগ্য যে মেডিকেলৰ তদাৰক নোহোৱাকৈ এইটো ব্যৱহাৰ কৰিব পাৰে৷শ্বিডিউল কে ৰ অধিনত ড্ৰাগছ শ্ৰেণীবদ্ধকৰণে কেমিষ্টে ড্ৰাগছ মজুত আৰু বিক্ৰী সম্পৰ্কে সন্মুখীন হোৱা কিছু প্ৰতিবন্ধকতা দূৰ কৰিবপাৰে।

- **এম এ ড্ৰাগছৰ গ্ৰাসত থকা মহিলাসকলক সহায় প্ৰদান কৰা ট'ল ফ্ৰী হেল্পলাইন স্থাপন কৰা**

  ব্যাপক তথ্যৰ সৈতে মহিলাসকলক সহায় কৰিবলৈ, এটা ট'ল ফ্ৰী হেল্পলাইন নম্বৰ এম এ কম্বি–পেকছৰ পাছফালে বাধ্যতামূলকভাৱে প্ৰদৰ্শন কৰা উচিত। এইটো এম এ ড্ৰাগছৰ নিৰ্মাতা/বিপণনকাৰী আৰু ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰণালয়ৰ (এম অ' এইচ এফ ডাব্লিউ) দবাৰা যৌথভাৱে বিনিয়োগ কৰিব পাৰে।



### আই ই চি আৰু মেডিয়া আউটৰেকৰ মাধ্যমেৰে সুৰক্ষিত এব'ৰছন কমিউনিকেশ্বনত বিনিযোগ বৃদ্ধি কৰক

গভাৰ্মেন্ট ইনফৰমেশ্বন ইডুকেশ্বন কমিউনিকেশ্বন(আই ই চি) আৰু বিহেভিয়াৰ শ্বেঞ্জ কমিউনিকেশ্বন(বি চি চি) আউটৰেক কাৰ্যকলাপত এব'ৰছনে পৰ্যাপ্ত কভাৰেজ নাপায়ামাইথবোৰ স্পষ্ট কৰিবলৈ আৰু আইনৰ বিধান হিচাপে সচেতনতা প্ৰসাৰ কৰি সুৰক্ষিত এব'ৰছন কমিউনিকেশ্বনৰ ক্ষেত্ৰত অধিক বিনিয়োগৰ বিষয়ে এম অ' এইচ এফ ডাব্লিউ য়ে বিবেচনা কৰিব লাগে।

### হাৰ্মনাইছ চেন্ট্ৰেল ড্ৰাগছ ষ্টেনডাৰ্ড কন্ট্ৰ'ল অৰ্গেনাইজেশ্বন অনুমোদন/প্ৰয়োজনীয়তা আৰু এম টি পি আইন একত্ৰিত কৰা।

2003 চনত সংশোধিত হোৱা এম টি পি নীতিয়ে 7 সপ্তাহ গৰ্ভাৱস্থা বন্ধ কৰাৰ বাবে এম এ ড্ৰাগছ ব্যৱহাৰ কৰাৰ অনুমতি দিয়ে, য'ত ভাৰতৰ ড্ৰাগছ কন্ট্ৰ'লাৰ জেনেৰেলৰ (ডি চি জি আই)কম্বি–পেকৰ বাবে 9 সপ্তাহৰ অনুমোদন আছে। এইটো দেখা পোৱা যায় যে এম এ কম্বি–পেকৰ (সতৰ্কতা: সামগ্ৰীবোৰ কেৱল সেৱা সৰবৰাহকাৰীৰ তত্ত্বাৱধানত আৰু এম টি পি আইন 2002 আৰু এম টি পি নীতি 2003ৰ অধীনত এখন নিৰ্দিষ্ট মেডিকেলত ব্যৱহাৰ কৰা হ'ব) বাবে 2019 চনত ডি চি জি আইৰ দ্বাৰা মুকলি কৰা নতুন লেবেলিং গাইডেঞ্চক খুচুৰা ফাৰ্মাচিসমূহে এই ড্ৰাগছবোৰ জমা আৰু বিক্ৰী কৰিব নোৱাৰিব বুলি পৰামৰ্শ দিয়াৰ বাবে ভুল বাখ্যা কৰা হৈছে। ডি চি জি আই / এম অ' এইচ এফ ডাব্লিউ য়ে ডাব্লিউ এইচ অ' ৰ পৰামৰ্শ অনুসৰি এম এ ড্ৰাগছৰ ব্যৱহাৰৰ বাবে গৰ্ভকালীন সীমাক 12 সপ্তাহলৈ বৃদ্ধি কৰাৰ ওপৰত বিবেচনা কৰিব লাগে আৰু লেবেলিং গাইডেঞ্চক উঠাই ল'ব লাগে যিটোৱে বিভ্ৰান্তি সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

**সম্পূৰ্ণ প্ৰতিবেদনটো ইয়াত চাব পাৰিব:**

https://bit.ly/2E5Swtj

## Citation

Chandrashekar, VS; Choudhuri, D and Vajpeyi, A. FRHS India, 2020, Availability of Medical Abortion Drugs in the Markets of Six Indian States, 2020

## References


[1]Chandrashekar, VS; Vajpeyi, A. and Sharma, K. Availability Of Medical Abortion Drugs In The Markets Of Four Indian States, 2018. 2019, http://www.pratigyacampaign.org/wp-content/uploads/2019/08/availability-of-medical-abortion-drugs-in-the-markets-of-four-indian-states-2018.pdf

[2]Singh S et al., Abortion and Unintended Pregnancy in Six Indian States: Findings and Implications for Policies and Programs, New York: Guttmacher Institute, 2018, https://www.guttmacher.org/report/abortion-unintended-pregnancy-six-stat....

[3]Improving Access to Safe Medical Abortions, Why expanding the Provider Base is essential https://pratigyacampaign.org/wp-content/uploads/2019/09/improving-access-to-safe-medical-abortions-english.pdf

[4]World Health Organization.(2019). World Health Organization model list of essential medicines: 21st list 2019. World Health Organization. https://apps.who.int/iris/handle/10665/325771. License: CC BY-NC-SA 3.0 IGO



FRHS INDIA
Children by choice, not chance

**Partner with us and follow us on:**

**Headquarter:** B-37, Gulmohar Park, New Delhi - 110049 | +91 11 49840000

**Email:** info@frhsi.org.in | @FoundationforReproHealthServicesIndia